**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-03-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
--------------------

১। অসম চুক্তিৰ ৬ নম্বৰ দফাৰ সকলো দিশ ৰূপায়ণ কৰিবলৈ অসম চৰকাৰ বদ্ধপৰিকৰ বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ। ২০২৪-২৫ বৰ্ষৰ সাধাৰণ বাজেটত এই ক্ষেত্ৰত প্ৰচেষ্টা গ্ৰহণ।

২। দিছপুৰত কালি জিলা আয়ুক্ত আৰু সমজিলা আয়ুক্তৰ বৈঠকত ৰাজ্য চৰকাৰৰ কল্যাণকামী পদক্ষেপসমূহৰ পৰ্যালোচনা।

৩। সমাগত দৌল উৎসৱ আৰু ৰঙৰ উৎসৱ ফাকুৱাৰ বাবে ৰাজ্যজুৰি ব্যাপক আয়োজন।

৪। পাকিস্তানৰ বেলুচিস্তানত ৰে'লত আক্ৰমণ চলাই সশস্ত্ৰ সন্ত্ৰাসবাদীৰ সামৰিক বাহিনীৰ লোককে ধৰি ২১৪ জনক পণবন্দী। **আৰু**

৫। নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাবৰ বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ।

০০০০০০

অসম চুক্তিৰ ৬ নম্বৰ দফাৰ সকলো দিশ ৰূপায়ণ কৰিবলৈ অসম চৰকাৰ বদ্ধপৰিকৰ আৰু ২০২৪-২৫ বৰ্ষৰ সাধাৰণ বাজেটত এই ক্ষেত্ৰত প্ৰচেষ্টা গ্ৰহণ কৰা হৈছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। বিধানসভাত কালি ২০২৪-২৫ বৰ্ষৰ সাধাৰণ বাজেটক লৈ হোৱা আলোচনাত ভাগ লৈ মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে অসম চুক্তিৰ ৬ নম্বৰ দফা ৰূপায়ণ সন্দৰ্ভত অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মা আয়োগৰ ৫২টা পৰামৰ্শ কাৰ্যকৰী কৰিবলৈ চৰকাৰ আগবাঢ়িছে। ইয়াৰ অংশ হিচাপে গৱেষণা কাৰ্য সূচল কৰি তোলাৰ লগতে সংৰক্ষণ আৰু নথিভুক্তকৰণৰ বাবে আধুনিক প্ৰযুক্তি আকোঁৱালি ল'বলৈ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰলৈ ১০০ কোটি টকাৰ এককালীন সাহায্য আগবঢ়োৱা হৈছে। একেদৰে এবছৰৰ ভিতৰত ড০ ভূপেন হাজৰিকা আঞ্চলিক চৰকাৰী চলচ্চিত্ৰ আৰু টেলিভিচন প্ৰতিষ্ঠানক ডিপ্লমা পৰ্যায়ৰ প্ৰতিষ্ঠানৰ পৰা ডিগ্ৰী পৰ্যায়ৰ প্ৰতিষ্ঠানলৈ উন্নীতকৰণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰিছে। তেওঁ লগতে কয় যে ৰাজ্যত সকলো জিলা সদৰত বহুমুখী সাংস্কৃতিক চৌহদৰ নিৰ্মাণ কৰা হ'ব। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা ভৱন নামেৰে নামকৰণ কৰিবলগীয়া এই চৌহদসমূহত মহান সাহিত্যিকগৰাকীৰ জীৱন আৰু কৰ্মৰাজীক আভাস দিয়া হ'ব। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে এই উদ্দেশ্যে এইবাৰৰ বাজেটত ৩৫ খন জিলাৰ বাবে ধাৰ্য কৰা ৭০০ কোটি টকাৰ ভিতৰত ১২ খন জিলাৰ বাবে ২৪০ কোটি টকা আৱণ্টন কৰা হৈছে। তেওঁ লগতে জিলা আৰু সমজিলা সমূহত জনজাতীয় আৰু অন্য থলুৱা সম্প্ৰদায়ৰ বাবে বহুমুখী সাংস্কৃতিক চৌহদ নিৰ্মাণ কৰা হ'ব বুলি উল্লেখ কৰি ২০২৫-২৬ বিত্তীয় বৰ্ষত ২০টা এনে প্ৰেক্ষাগৃহ নিৰ্মাণ কৰা হ'ব বুলি জানিবলৈ দিয়ে।

০০০০০০

দিছপুৰৰ লোকসেৱা ভৱনত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত কালি জিলা আয়ুক্ত আৰু সমজিলা আয়ুক্তসকলৰ এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত জনকল্যাণ আৰু শাসন ব্যৱস্থাৰ উন্নয়নৰ লক্ষ্যৰে

ৰাজ্য চৰকাৰে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপসমূহৰ পৰ্যালোচনা কৰা হয়। বৈঠকত চাহ বাগিচা অঞ্চলৰ গৰ্ভৱতী মহিলা মজুৰীৰ ক্ষতিপূৰণ প্ৰদানকে ধৰি স্বাস্থ্য আৰু পৰিয়াল কল্যাণ সম্পৰ্কীয় বিভিন্ন আঁচনি, অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায় সুশৃংখলিতভাৱে ৰূপায়ণ, প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ নতুন জি অ' টেগিং ব্যৱস্থাৰ দ্ৰুতকৰণ, মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযান, মিছন বসুন্ধৰা, ৫ লাখ গামোচা বিতৰণৰ দৰে অভিলাসী আঁচনিসমূহৰ ৰূপায়ণৰ সন্দৰ্ভত বিতংভাৱে আলোচনা কৰা হয়। তদুপৰি ইউ উইন মঞ্চ আৰু যক্ষ্মা নিৰ্মূলৰ প্ৰচেষ্টাৰ ফলপ্ৰসূ ৰূপায়ণ সন্দৰ্ভতো আলোচনা কৰা হয়। মুখ্যমন্ত্ৰীয়ে জনসাধাৰণক উন্নত সেৱা আগবঢ়োৱাৰ বাবে সমজিলাসমূহৰ সৰলীকৰণ আৰু সমাগত পঞ্চায়ত নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত জিলা আয়ুক্তসকলৰ সৈতে আলোচনা কৰে। দ্বিতীয় এডভাণ্টেজ আছামৰ সফল সামৰণি আৰু ৰাজ্যৰ সাধাৰণ বাজেট উত্থাপনৰ পাছত জিলা আয়ুক্তসকলৰ সৈতে এই বৈঠকে নিশ্চিতভাৱে চৰকাৰখনৰ পৰিকল্পনাক বাস্তৱায়িত কৰাৰ ক্ষেত্ৰত সহায় কৰিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে।

০০০০০০

অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ কোনো যুৱক-যুৱতীয়েই পৰৱৰ্তী ১০ বছৰৰ ভিতৰত কৰ্ম সংস্থাপনৰ সন্ধানত অঞ্চলটো ত্যাগ কৰি দেশৰ অন্য প্ৰান্তলৈ যোৱাৰ প্ৰয়োজন নাই বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰকাশ কৰিছে। অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ উদ্যোগত আয়োজিত উত্তৰ-পূৰ্বাঞ্চলৰ ছাত্ৰ আৰু যুৱ সংসদত দিয়া ভাষণত শ্ৰী শ্বাহে এই বিষয়ে উল্লেখ কৰি কয়, যে তেওঁলোকে অঞ্চলটোতেই কৰ্ম সংস্থাপনৰ সুযোগ লাভ কৰিব। Students' Experience in Inter-State Living নামৰ কাৰ্যসূচীৰ অধীনত নতুন দিল্লীত আয়োজিত যুৱ সংসদত দিয়া ভাষণত শ্ৰী শ্বাহে এইদৰে প্ৰকাশ কৰে। তেওঁ অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰীসকলক ২০৪৭ চনৰ ভিতৰত এখন শক্তিশালী আৰু উন্নত ভাৰত গঢ়াৰ ক্ষেত্ৰত অংশীদাৰ হ'বলৈ আহ্বান জনায়। তেওঁ কয়, যে ২০২৭ চনৰ ভিতৰত উত্তৰ-পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্যৰ ৰাজধানী চহৰসমূহক ৰে'ল, বিমান আৰু পথ যোগাযোগ ব্যৱস্থাৰে সংযুক্ত কৰা হ'ব। মন্ত্ৰীগৰাকীয়ে কয়, যে ব্ৰহ্মপুত্ৰৰ ওপৰত দেশৰ ভিতৰত সৰ্বাধিক ৰে'ল তথা পথ দলং নিৰ্মাণ কৰি থকা হৈছে। অসম আৰু ভূটানৰ মাজত ৰে'লপথ নিৰ্মাণৰ কামো আৰম্ভ হৈছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। উত্তৰ-পূৰ্বাঞ্চলত ২০১৪ চনৰ পৰা হিংসাত্মক ঘটনা ৭০ শতাংশ হ্ৰাস হৈছে বুলি উল্লেখ কৰি শ্ৰী শ্বাহে কয়, যে এই সময়ছোৱাত নিৰাপত্তাৰক্ষীৰ মৃত্যুৰ হাৰ ৭০ শতাংশ আৰু সাধাৰণ লোকৰ মৃত্যুৰ হাৰ ৮৯ শতাংশ হ্ৰাস পাইছে। অসমকে ধৰি উত্তৰ-পূবৰ অন্যান্য ৰাজ্যৰ সশস্ত্ৰ সংগঠনৰ সৈতে কেন্দ্ৰীয় চৰকাৰে স্বাক্ষৰ কৰা চুক্তি অনুসৰি ১০ হাজাৰ ৫০০ৰো অধিক উগ্ৰপন্থী সংগঠনৰ সদস্যই অস্ত্ৰ সম্বৰণ কৰি মূল সুঁতিলৈ ঘূৰি আহিছে বুলি তেওঁ উল্লেখ কৰে। উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়নৰ বাজেট ২০১৪-১৫ বৰ্ষৰ তুলনাত ২০২৪-২৫ বৰ্ষত ১৫০ শতাংশ বৃদ্ধি কৰা হৈছে বুলিও তেওঁ উল্লেখ কৰে। অসমত স্থাপন কৰা ছেমি কণ্ডাক্টৰ প্ৰকল্পত আঢ়ৈ লাখ কোটি টকাৰ বিনিয়োগ হ'ব বুলি সম্ভাৱনা প্ৰকাশ কৰি শ্ৰী শ্বাহে কয়, যে অহা ১০ বছৰৰ ভিতৰত উত্তৰ-পূৰ্বাঞ্চলত অভূতপূৰ্ব হাৰত কৰ্ম সংস্থাপনৰ সৃষ্টি হ'ব। অনুষ্ঠানত গৃহ মন্ত্ৰীগৰাকীয়ে বহু জনজাতি, ২০০ৰো অধিক ভাষা-উপভাষা আৰু ৫০ ৰো অধিক উৎসৱ তথা ৩০ টাৰো অধিক নৃত্যশৈলীৰে উত্তৰ-পূৰ্বাঞ্চল সমৃদ্ধ বুলি মত প্ৰকাশ কৰে।

০০০০০০

কৰ্ম সংস্থাপনৰ সন্ধানত ম্যানমাৰলৈ গৈ চাইবাৰ অপৰাধী চক্ৰত সোমাই পৰা অসমৰ ৫ জন যুৱককে ধৰি দেশৰ ২৮৩ জন ব্যক্তিক ম্যানমাৰত থকা ভাৰতীয় দূতাবাসে কালি উদ্ধাৰ কৰে। বায়ুসেনাৰ বিমানেৰে ম্যানমাৰৰ ম্যাৱাদ্দিৰ পৰা থাইলেণ্ড হৈ নতুন দিল্লীলৈ অহা দলটোত ১৭ গৰাকী মহিলাও আছে। নতুন দিল্লীৰ

অসম ভৱনৰ অসম আৰক্ষীয়ে ৰাজ্যখনৰ যুৱক ৫ জনক জিম্মাত ৰাখিছে। আৰক্ষীৰ প্ৰাৰম্ভিক অনুসন্ধানত অধিক দৰমহাৰ প্ৰলোভনত ম্যানমাৰলৈ গৈ চাইবাৰ চক্ৰৰ সৈতে যুৱককেইজন জড়িত হৈ পৰিছিল বুলি সন্দেহ কৰা হৈছে যদিও এই সন্দৰ্ভত তদন্ত অব্যাহত ৰখা হৈছে। ভাৰতীয় দূতাবাসে উদ্ধাৰ কৰা দলটোত অসমৰ উপৰি পশ্চিমবংগ, অন্ধ্ৰ প্ৰদেশ, তেলেংগানা, গুজৰাট আৰু উত্তৰ প্ৰদেশৰ যুৱক-যুৱতী থকা বুলি প্ৰকাশ কৰা হৈছে।

০০০০০০

সমাগত দৌল উৎসৱ আৰু ৰঙৰ উৎসৱ ফাকুৱাৰ বাবে ৰাজ্যজুৰি ব্যাপক আয়োজন চলিছে। ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰৰ লগতে ৰাজ্যৰ প্ৰান্তে প্ৰান্তে দৌল উৎসৱক কেন্দ্ৰ কৰি উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। বৰপেটা সত্ৰকে ধৰি জিলাখনৰ বিভিন্ন স্থানত আয়োজন কৰা দৌল উৎসৱৰ বিষয়ে সবিশেষ জানিবলৈ আহক আমি বৰপেটা জিলাৰ আমাৰ সংবাদদাতা অৰূপজ্যোতি মহন্তৰ ওচৰলৈ যাওঁ।

**ভইচ (অৰূপজ্যোতি মহন্ত)**

কামৰূপ জিলা শুৱালকুছিৰ ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰত কাইলৈৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে দৌল উৎসৱৰ আয়োজন কৰা হৈছে। উৎসৱৰ লগত সংগতি ৰাখি পৰহিলৈ হোলী গীত প্ৰতিযোগিতা আৰু ১৫ মাৰ্চত বাঁহ বগোৱা, বাঁহ ভঙা, টেকেলী ভঙা আদি প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে।

উত্তৰ গুৱাহাটীৰ শ্ৰী শ্ৰী দৌলগোবিন্দ মন্দিৰত কাইলৈৰ পৰা ৫ দিনীয়া কাৰ্যসূচীৰে দৌল উৎসৱৰ আয়োজন কৰা হৈছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱা থানত কাইলৈৰ পৰা দৌল উৎসৱ উদযাপনৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। থান পৰিচালনা সমিতিয়ে ১৪ খন উপ-সমিতি গঠন কৰি এই উৎসৱ পৰিচালনাৰ বাবে সাজু হৈছে। উৎসৱৰ প্ৰথম দিনা গন্ধোৎসৱ, ১৪ মাৰ্চত গোসাঁই শিৰত ফাকু দিয়া উৎসৱ আৰু ১৫ মাৰ্চত গোসাঁই ফুৰুৱা কাৰ্যসূচী অনুষ্ঠিত হ'ব। বজালী জিলাৰ ইতিহাস প্ৰসিদ্ধ গোবিন্দপুৰ সত্ৰ প্ৰাংগণত পৰহিলৈৰ পৰা চাৰিদিনীয়া কাৰ্যসূচীৰে দৌল উৎসৱ উদযাপন কৰা হ'ব। এই উপলক্ষে কাইলৈ সন্ধিয়া নাম প্ৰসংগ, মেযদাহ আদি সম্পন্ন হ'ব। ১৪ মাৰ্চত দৌল পূজা, ১৫ মাৰ্চত দৌল গোবিন্দৰ পূজা অৰ্চনা আৰু ১৬ মাৰ্চত সুঁৱেৰি উৎসৱ উদযাপন কৰা হ'ব।

দৌল উৎসৱৰ লগত সংগতি ৰাখি ধেমাজিৰ মদাৰগুৰি কলিতাগাঁৱৰ ৰাইজৰ সহযোগত পৰহিলৈৰ পৰা ২১ মাৰ্চলৈ সপ্তাহজোৰা কাৰ্যসূচীৰে সদৌ অসম ভাওনা সমাৰোহ আৰু প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে।

০০০০০০

পাকিস্তানৰ বেলুচিস্তান প্ৰদেশত কালি সশস্ত্ৰ সন্ত্ৰাসবাদীয়ে পেছাৱৰ অভিমুখী কুৱেট্টা জাফৰ এক্সপ্ৰেছ ৰে'লগাড়ীৰ ওপৰত আক্ৰমণ চলাই ৪৫০ জনৰো অধিক যাত্ৰীক পণবন্দী কৰে। সন্ত্ৰাসবাদীয়ে পাছত পণবন্দী কৰি ৰখা মহিলা আৰু শিশুকে ধৰি অসামৰিক লোকসকলক মুকলি কৰি দিয়ে আৰু সামৰিক বাহিনীৰ লোককে ধৰি ২১৪ জনক পণবন্দী কৰি ৰাখে। অঞ্চলটোত সন্ত্ৰাসবাদী গতিবিধি চলাই থকা দা বেলুচ লিবাৰেচন আৰ্মি, বি এল এ নামৰ বিচ্ছিন্নতাবাদী সন্ত্ৰাসবাদী সংগঠনটোৱে এই আক্ৰমণৰ দায়িত্ব স্বীকাৰ কৰিছে। সংগঠনটোৱে এটা বিবৃতিৰ যোগে এই সংঘৰ্ষত ৩০ জনৰো অধিক সৈনিকক হত্যা কৰা বুলি দাবী কৰিছে। সন্ত্ৰাসবাদী আক্ৰমণৰ সময়ছোৱাত ৰে'লখন বেলুচিস্তান প্ৰদেশৰ কুৱেট্টাৰ পৰা খাইবাৰপাখতুনখৱাৰ পেছাৱাৰ অভিমুখে গৈ আছিল। নিৰাপত্তা বাহিনী আৰু উদ্ধাৰকাৰী দলে সেই স্থানত উপস্থিত হৈ সন্ত্ৰাসবাদীকেইটাক ধৰাৰ বাবে অভিযান চলাই আছে। পাকিস্তান চৰকাৰৰ এগৰাকী মুখপাত্ৰই প্ৰকাশ কৰা অনুসৰি নিৰাপত্তা

বাহিনীয়ে কমেও ৮০ জন যাত্ৰীক উদ্ধাৰ কৰিছে। অৱশ্যে বি এল এ সংগঠনটোৱে অসামৰিক লোকসকলক মুকলি কৰি দিয়া হৈছে বুলি প্ৰকাশ কৰিছে। সংগঠনটোৱে পাকিস্তানৰ সেনাই সামৰিক অভিযান চলালে পৰিস্থিতি অধিক ভয়াৱহ হ'ব বুলি সকীয়াই দিছে।

oooooo

তিনিচুকীয়াৰ অতিৰিক্ত জিলা আৰু ছেচন ন্যায়াধীশৰ আদালতে কালি পিতৃ হত্যাৰ অপৰাধত অৰিন্দম দত্ত নামৰ এজন লোকক যাৱজ্জীৱন কাৰাদণ্ডৰ ৰায় দিয়ে। ২০২৩ চনৰ ডিচেম্বৰত এই লোকজনে অশ্বিনী দত্ত নামৰ তোলনীয়া পিতৃক হত্যা কৰিছিল। অভিযুক্তই আৰক্ষীৰ আগত এই সন্দৰ্ভত স্বীকাৰোক্তি দিছিল। এই গোচৰৰ শুনানি প্ৰক্ৰিয়াত ১০ জন লোকৰ সাক্ষ্য গ্ৰহণ কৰি আদালতে এই ৰায় প্ৰদান কৰে।

oooooo

অসমৰ আৰক্ষীৰ মাদক দ্ৰব্য বিৰোধী অভিযানৰ অধীনত কাছাৰ আৰক্ষীয়ে কালি শিলচৰ আৰক্ষী চকীৰ অন্তৰ্গত কৃষ্ণপুৰ পাৰ্ট-টু এলেকাত এখন ই-ৰিক্সাৰ পৰা ৩৮ কিলোগ্ৰাম মাদক দ্ৰব্যসহ তিনিজন লোকক আটক কৰে। জব্দ কৰা মাদক দ্ৰব্যখিনিৰ মূল্য প্ৰায় ৩০ লাখ টকা বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে।

কামৰূপ জিলাৰ আমিনগাঁৱত বিশেষ কাৰ্যবাহিনীয়ে যোৱা নিশা অভিযান চলাই বুজন পৰিমাণৰ হেৰ'ইন জব্দ কৰে। শিলচৰৰ মণিপুৰ সীমান্তৰ পৰা সৰবৰাহ কৰা এই হেৰ'ইনখিনিৰ বজাৰ মূল্য প্ৰায় ৪ কোটি টকা বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। আৰক্ষীয়ে অভিযানত ছাজামিল লস্কৰ আৰু মৃণাল হুছেইন নামৰ দুজন মাদক দ্ৰব্য সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে।

oooooo

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহত বিধানসভাত বাজেট বিতৰ্ক সংক্ৰান্তীয় বিভিন্ন বা-বাতৰিৰ লগতে প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীক মৰিচাছত সৰ্বোচ্চ অসামৰিক সন্মান প্ৰদান, পাকিস্তানত সন্ত্ৰাসবাদীৰ ৰে'ল অপহৰণ আদি ভিন ভিন বাতৰিয়ে গুৰুত্ব লাভ কৰা পৰিলক্ষিত হৈছে। 'পুঁজিৰ সংকট-শিক্ষাৰ্থীক নিদিয়ে মাৰ্কশ্বিট' শিৰোনামেৰে **অসমীয়া প্ৰতিদিন** কাকতে হিতাধিকাৰীক কোটি কোটি টকা বিতৰণ কৰা ৰাজ্য চৰকাৰৰ শোচনীয় অৰ্থনৈতিক অৱস্থা সন্দৰ্ভত মুখ্য বাতৰি প্ৰকাশ কৰিছে। **দৈনিক অসম** কাকতে বাজেট বিতৰ্কত অংশগ্ৰহণ কৰি বিৰোধীয়ে নিৰ্বাচনমুখী বুলি কৰা সমালোচনাৰ মুখ্যমন্ত্ৰীৰ প্ৰত্যুত্তৰৰ বাতৰিক 'নতুন অসমৰ অনিৰুদ্ধ যাত্ৰা' শিৰোনামেৰে প্ৰধান বাতৰিৰ স্থান দিছে। একেটা বাতৰিকে **দৈনিক জনমভূমি** কাকতে 'ৰিপ'ৰ্ট কাৰ্ড দিবলৈ ধন নাই সমগ্ৰ শিক্ষাৰ' শিৰোনামেৰে প্ৰকাশ কৰিছে। **দি আছাম ট্ৰিবিউন, দা টাইমছ অব্ ইণ্ডিয়া** আৰু **আমাৰ অসম** কাকতে ছুইজাৰলেণ্ডৰ এটা আন্তঃৰাষ্ট্ৰীয় সংস্থাই ২০২৪ চনৰ বিশ্ব বায়ু মান সূচকত বিশ্বৰ সৰ্বাধিক প্ৰদূষিত চহৰসমূহৰ ভিতৰত ভাৰতৰ ১৩ খন চহৰেই অন্তৰ্ভুক্ত হোৱা আৰু ইয়াৰে ভিতৰত মেঘালয়ৰ বৰ্ণিহাট ভাৰতৰ সৰ্বাধিক প্ৰদূষিত চহৰ হিচাপে পৰিগণিত হোৱাৰ বাতৰিক প্ৰথম পৃষ্ঠাৰ অন্যতম গুৰুত্বপূৰ্ণ বাতৰি হিচাপে পৰিৱেশন কৰিছে। **দা ছেণ্টিনেল** কাকতে ৰাজ্যত কাঠফুলাৰ দৰে গঢ়ি উঠা কোচিং প্ৰতিষ্ঠানসমূহক নিয়ন্ত্ৰণৰ উদ্দেশ্যে এখন আইন প্ৰণয়নৰ বাবে অসম মন্ত্ৰীসভাত সিদ্ধান্ত গ্ৰহণ কৰাৰ বাতৰিক প্ৰথম পৃষ্ঠাত বিশেষ গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। **দৈনিক অগ্ৰদূত** কাকতে 'পাঁচ শতাধিক যাত্ৰীসহ ৰে'ল অপহৰণ' শিৰোনামেৰে পাকিস্তান নিৰাপত্তা বাহিনীত বেলুচ বিচ্ছিন্নতাবাদীৰ মুখ্যম আঘাত হনাৰ বাতৰি প্ৰকাশ কৰাৰ লগতে '৩৫০ কোটি টকা ব্যয়েৰে ৰাজ্যত ৫ টা ছেটেলাইট' শিৰোনামেৰে **অসমীয়া**

**খবৰ** কাকতে আৰু '২০৩০ চনত অসমত নিৰ্মূল হ'ব দৰিদ্ৰতা' শিৰোনামেৰে **নিয়মীয়া বাৰ্তা** কাকতে মুখ্য বাতৰি প্ৰকাশ কৰিছে।

এতিয়া আহক পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

০০০০০০

নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাবে লোকপ্ৰিয় গোপীনাথ বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে। দলটোৱে কালি  গুৱাহাটীৰ জজ খেলপথাৰত অনুষ্ঠিত প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত শ্বিলং লাজং ফুটবল ক্লাবক ১-০ গলত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰে। অহা ১৩ মাৰ্চত উত্তৰ পূৰ সীমান্ত ৰে'লৱে ক্ৰীড়া সন্থা আৰু নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাবৰ মাজত প্ৰতিযোগিতাৰ ফাইনেল খেলখন খেলোৱা হ'ব।

০০০০০০

আকাশবাণী গুৱাহাটী গ্ৰন্থাগাৰ সহায়ক হিচাপে যোৱা মাহত অৱসৰ গ্ৰহণ কৰা অনুপম দাসৰ যোৱা নিশা মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৬০ বছৰ।

০০০০০০

গোৱালপৰীয়া লোকগীতৰ প্ৰখ্যাত শিল্পী, প্ৰতিমা বৰুৱা পাণ্ডেৰ সহ শিল্পী তথা বিশিষ্ট ঢোলবাদক বিমল মালীৰ কালি গৌৰীপুৰৰ নিজা বাসভৱনত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭৯ বছৰ। প্ৰয়াত মালীয়ে পদ্মশ্ৰী সন্মানেৰে সন্মানিত প্ৰতিমা বৰুৱা পাণ্ডেৰ সৈতে ১৯৭৭ চনৰ পৰা ঢোলবাদক হিচাপে সংগত কৰি আহিছিল। আকাশবাণী আৰু দূৰদৰ্শনত ভালেসংখ্যক গীত পৰিৱেশন কৰা শিল্পীগৰাকীক প্ৰতিমা পাণ্ডে বঁটা, ভূপেন হাজৰিকা লোকশিল্পী সন্মানকে ধৰি কেইবাটাও সন্মানেৰে সন্মানিত কৰা হৈছে। তেওঁৰ মৃত্যুত অগণন লোকে শোক প্ৰকাশ কৰিছে।

কামৰূপ জিলাৰ পলাশবাৰীৰ হুদুমপুৰ নিবাসী বৰ্ষীয়ান সাংবাদিক বলেন কলিতাৰ যোৱানিশা মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭৫ বছৰ। তেওঁৰ মৃত্যুত বিভিন্ন দল-সংগঠন আৰু ব্যক্তি বিশেষে শোক প্ৰকাশ কৰিছে।

নগাঁও জিলাৰ পূব শালমৰা নিবাসী বিশিষ্ট শিক্ষাবিদ, সমাজসেৱী তথা স্বাধীনতা সংগ্ৰামী লক্ষ্মীকান্ত বাগিচৰ আজি দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ১০০ বছৰ।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত আজি বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৭ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৫ ডিগ্ৰী ছেলছিয়াছৰ আশে-পাশে থাকিব বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

বতৰ বিজ্ঞান কেন্দ্ৰই অহা ২৪ ঘণ্টাত অসম, অৰুণাচল প্ৰদেশ, নাগালেণ্ড আৰু ত্ৰিপুৰাৰ ঠাই বিশেষে পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আগলি বতৰা দিছে। আনহাতে মেঘালয়, মণিপুৰ আৰু মিজোৰামৰ বতৰ ঘাইকৈ শুকান হৈ থাকিব বুলি কেন্দ্ৰটোৱে লগতে প্ৰকাশ কৰিছে।

০০০০০০

সমাপ্ত